# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

উন্নত ভাৰত গঢ়াৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অতি প্ৰয়োজনীয়। নতুন দিল্লীত আজি ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে বিনিয়োগকাৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনাই কয়, যে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল সুযোগৰ ভূমি হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলক তেওঁ শক্তি আৰু ছেমিকণ্ডাক্টৰৰ মূল ছাবিকাঠি বুলিও উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলক বৈচিত্ৰময় অঞ্চল হিচাপে আলোকপাত কৰি প্ৰধানমন্ত্ৰী  মোদীয়ে এই বিচিত্ৰতাই ভাৰতৰ প্ৰধান শক্তি বুলি মত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ৰম্যভূমি বুলি উল্লেখ কৰি কয়, যে এই অঞ্চল আন্তৰাষ্ট্ৰীয় সন্মিলন, সংগীত সন্মিলন তথা আকৰ্ষণীয় বিবাহৰ স্থান হিচাপে পৰিগণিত হোৱাৰ থল আছে। তেঁও লগতে উত্তৰ পূৰ্বাঞ্চল জৈৱ অৰ্থনীতি, বাহ উদ্যোগ, চাহ, পেট্ৰোলিয়াম, ক্ৰীড়া আৰু দক্ষতাৰ উপৰি পৰিবেশ পৰ্যটনৰ কেন্দ্ৰ হিচাপেও বিকশিত হৈ উঠিছে বুলি মন্তব্য কৰে।  শ্ৰীমোদীয়ে এই খণ্ডৰ পুৰ্বৰ প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ সুযোগৰ ভূমি হিচাপে পৰিগণিত হৈছে। অসমৰ ভূপেন হাজৰিকা সেঁতু আৰু  অৰুণাচল প্ৰদেশৰ চেলা সুৰংগৰ দৰে প্ৰকল্পসমূহত হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰি এই খণ্ডত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে ভাৰত মণ্ডপমত শেহতীয়াকৈ অনুষ্ঠিত হোৱা অষ্টলক্ষ্মী মহোৎসৱক সুৰৰি কয়, যে আজিৰ অনুষ্ঠানটোৱে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগক উদ্‌যাপন কৰিছে।

এই সন্মিলনত অংশগ্ৰহণ কৰি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে দুহেজাৰতকৈও অধিক বিমান চলাচলেৰে বৰ্তমান এই খণ্ডত ১৭ টা বিমান বন্দৰ আছে। তেওঁ উত্তৰ-পূৰ্বাঞ্চল দক্ষিণ-পূব এছিয়াৰ আন্তৰ্জাতিক কৰিড'ৰ হৈ পৰিব বুলিও আশা প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ মন্ত্ৰালয়ৰ অধীনস্থ কেন্দ্ৰীয় আয়ুৰ্বেদ বিজ্ঞান গৱেষণা পৰিষদ CCRAS ৰ অন্তৰ্গত গুৱাহাটীৰ কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সংবাদ পত্ৰিকাৰ সম্পাদক আৰু পৰ্যালোচকসকলৰ এখন সন্মিলন  অনুষ্ঠিত হৈছে। CCRAS ৰ সঞ্চালক প্ৰধান ৰবিনাৰায়ণ আচাৰ্যই আজি এই সন্মিলন আনুষ্ঠানিকভাৱে মুকলি কৰে। কাইলৈ সামৰণি পৰিবলগীয়া এই সন্মিলনত সমগ্ৰ দেশৰ বহু কেইগৰাকী মুখ্য সম্পাদক, সম্পাদক, সম্পাদনা সমিতিৰ সদস্য আৰু পৰ্যালোচকে অংশগ্ৰহণ কৰে।

ooooo

আজি বিশ্ব কাছ দিৱস। ২০০০ চনৰ পৰা প্ৰতি বছৰে ২৩ মে'ত বিশ্বজুৰি কাছ দিৱস পালন কৰি অহা হৈছে। কাছৰ সংৰক্ষণ আৰু সুৰক্ষা সন্দৰ্ভত মানুহৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াসেই এই দিৱসৰ মূল উদ্দেশ্য। জৈৱ বিচিত্ৰতাৰে পৰিপূৰ্ণ অসমৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰায় ১৭ টা প্ৰজাতিৰ কাছ পোৱা যায়। ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা বনাঞ্চলৰ ডিফলু নদীৰ পাৰত কাছুই ৰ'দ লৈ থকা দৃশ্য কাজিৰঙাৰ অন্যতম আকৰ্ষণীয় দৃশ্য। কাছমাৰি নামে খ্যাত এই ঠাই টুকুৰাৰ নান্দনিক সৌন্দৰ্যই পৰ্যটকক আকৰ্ষণ কৰি আহিছে।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকাম বন বিভাগৰ পৰিদৰ্শন ভৱনত আজি জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত বান সংক্ৰান্তীয় এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত সাৰংগপানী শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ সভাখনত খণ্ড উন্নয়ন বিষয়া, বনাঞ্চলিক বিষয়া, সহকাৰী ৰাজহ বিষয়া, শিশু কল্যাণ প্ৰকল্প বিষয়া, জিলা কৃষি বিষয়া, লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা, জিলা পশু চিকিৎসা বিষয়া, মহকুমা স্বাস্থ্য বিষয়াৰ লগতে ঋষভ বেচৰকাৰী সন্থা আৰু চত্ৰ বেচৰকাৰী সন্থাৰ প্ৰতিনিধি উপস্থিত থাকে। সভাখনত বানাক্ৰান্ত অঞ্চলসমূহৰ বান পীড়িত জনসাধাৰণক তাৎক্ষণিকভাৱে সেৱা আগবঢ়োৱা সন্দৰ্ভত গুৰুত্ব সহকাৰে পৰ্যালোচনা কৰা হয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ অন্যান্য জিলাৰ লগতে গোৱালপাৰা জিলা প্ৰশাসনেও ৰেচন কাৰ্ডৰ জৰিয়তে বিনামূলীয়াকৈ চাউল লাভ কৰা হিতাধিকাৰীসকলক তিনিমাহৰ চাউল এইবাৰ একেবাৰতে দিয়াৰ প্ৰস্তুতি চলাইছে। গোৱালপাৰা জিলা প্ৰশাসনে অহা জুন, জুলাই আৰু আগষ্ট মাহৰ বিনামূলীয়া চাউল জুন মাহৰ ১০ তাৰিখৰ ভিতৰত হিতাধিকাৰীসকলক দিয়াৰ ব্যৱস্থা কৰিব। এই উপলক্ষে আজি জিলা আয়ুক্ত কাৰ্যালয়ত জিলা প্ৰশাসনে বিষয়ববীয়াসকলৰ মাজত এখন সভা অনুষ্ঠিত কৰে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰ সমজিলাৰ প্ৰকৃতিপ্ৰেমী তথা বৃক্ষ মানৱৰূপে খ্যাত বকুল গগৈয়ে বাৰিষাৰ সময়ছোৱাত কণী দিয়া থলুৱা মাছ নধৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। এই উদ্দেশ্যে আজি অঞ্চলটোৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় সচেতন ৰাইজ আৰু বকুল গগৈয়ে গহপুৰ পক্ষী উদ্যানত উজানৰ মাছ ধৰাৰ পৰা বিৰত থাকিব বুলি সংকল্প গ্ৰহণ কৰে। বাৰিষাৰ এই সময়ছোৱাত মাছৰ বংশবৃদ্ধিৰ সময়। সেয়েহে এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে নৈ, বিল, জলাশয় আদিত মাছ ধৰাটো আইনমতে অপৰাধ।

০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ কাকজানত আজি তিনিচুকীয়া আৰক্ষীৰ বিশেষ অভিযানকাৰী দলে ড্ৰাগছসহ এগৰাকী মহিলাক আটক কৰে। মহিলাগৰাকী ড্ৰাগ ব্যৱসায়ী মনোজ হাজৰিকাৰ পত্নী মাইনু হাজৰিকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে ফিলোবাৰী আৰক্ষী থানাৰ অন্তৰ্গত দুই নম্বৰ কাকজান গাঁৱত ড্ৰাগছ বিৰোধী বিশেষ অভিযান চলাই মহিলাগৰাকীৰ পৰা ছয় কেজি ৪৩ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ জব্দ কৰে।

০০০০০

সমাপ্ত